# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

বুনিয়াদী অৰ্থনীতি সবলীকৰণেৰে ৰাজ্যক প্ৰগতিৰ দিশেৰে লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে ভাষণ দিয়ে। অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ জৰিয়তে ৰাজ্যৰ ৩৮ লাখ মহিলা উপকৃত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ অধীনত কোনো লোকে ধন নাপালে, ততালিকে সংশ্লিষ্ট কৰ্তৃপক্ষক অভিযোগ কৰিবলৈ তেওঁ আহ্বান জনায়। মহিলা হিতাধিকাৰীসকলক এই আঁচনিৰ ধন সময়মতে পাবলৈ যোগাযোগৰ বাবে একাউণ্ট সংযোগী ফোন নম্বৰ আৰু বেংকৰ কে ৱাই চি সক্ৰিয় কৰি ৰাখিবলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। অৰুণোদয় আঁচনিৰ জৰিয়তে প্ৰতিগৰাকী মহিলাই মাহে ১২৫০ টকাকৈ লাভ কৰাৰ লগতে ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয় কৰিবৰ বাবে চৰকাৰে অতিৰিক্তভাৱে ২৫০ টকাকৈ দিব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। অহা বছৰৰ ফেব্ৰুৱাৰীত চৰকাৰে মাতৃসকলৰ বাবে ডাঙৰ উপহাৰ আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বিটিআৰৰ জিলাসমূহৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্ত সকলক অৰুণোদয় আঁচনিৰ ৰূপায়ণৰ কাম যথাযথভাৱে সম্পন্ন কৰিবলৈও তেওঁ নিৰ্দেশ দিছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

উল্লেখযোগ্য যে, ৰাজ্যৰ অন্যান্য জিলাতো আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰা হয়। গোৱালপাৰা জিলাৰ ৯১২ টা ভোট কেন্দ্ৰত মুখ্যমন্ত্ৰীৰ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ  কৰি আঁচনিখন আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ত জিলাখনৰ ৮৮ হাজাৰ ২৯ গৰাকী মহিলা  অন্তৰ্ভুক্ত হৈছে। বৰপেটা জিলাৰ ৫০ টা ভোটকেন্দ্ৰ সামৰি ৩৪ টা স্থানত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই আঁচনিৰ অধীনত জিলাখনৰ এক লাখ ২৯ হাজাৰগৰাকী মহিলা উপকৃত হ'ব।

ooooo

শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ. আই. টিৰ তদন্ত প্ৰক্ৰিয়া অব্যাহত আছে। ১৯ ছেপ্তেম্বৰত ছিংগাপুৰৰ ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী অসমীয়া ৰূপকমল কলিতা আজি চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হয়। আৰক্ষীয়ে তেওঁৰ ভাষ্য গ্ৰহণ কৰে। ইপিনে, চৰকাৰীভাৱে নিয়োজিত জুবিন গাৰ্গৰ দুজন ব্যক্তিগত সুৰক্ষা বিষয়া পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক আজি নিলম্বন কৰা হৈছে। দুয়োৰে একাউণ্টৰ জৰিয়তে কোটি টকা লেন-দেনৰ তথ্য চি আই ডিয়ে লাভ কৰিছে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে আজি পুনৰ সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয় যে তেওঁ এই ঘটনাৰ আঁৰৰ সত্য জানিব বিচাৰে আৰু জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰ দাবী কৰে।

ইপিনে, এই গোচৰ সংক্ৰান্তত এছ আই টিয়ে কালি জুবিন গাৰ্গৰ ষ্টুডিঅ'ৰ কেয়াৰ টেকাৰ অভিমন্যু তাঁতী, ব্যক্তিগত সহায়ক সাধন নাথ, ঋতু প্ৰয়াগ গাৰ্গ, প্ৰাৰ্থনা বৰাকে ধৰি আন কেইবাগৰাকীৰো ভাষ্য গ্ৰহণ কৰে। এছ.

আই. টিয়ে ঘটনাৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ পত্নী অনিতা ডেকা মহন্তৰো কালি ভাষ্য গ্ৰহণ কৰে। ঘটনাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত থকা লোকৰ লগতে বিগত এমাহৰ পৰা দুমাহ ধৰি জুবিন গাৰ্গে যিসকল লোকৰ সৈতে যোগাযোগত আছিল সেইসকল লোকৰো এছ. আই. টিয়ে ভাষ্য গ্ৰহণ কৰে।

ooooo

নিৰ্দিষ্ট ধৰ্মৰ ভিত্তিত কোনো দখলকাৰীয়ে সুৰক্ষা নাপাব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে শেহতীয়াকৈ এটা গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। সদৌ অসম গৰিয়া যুৱ-ছাত্ৰ পৰিষদে উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে এই ৰায়দান কৰিছে। সংগঠনটোৱে অভিযোগ কৰা মতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়া লোকে চৰকাৰী ভূমি দখল কৰিলে সেয়া চৰকাৰে অবৈধ দখল হিচাপে গণ্য নকৰে বুলি মন্তব্য আগবঢ়াইছিল। মুখ্যমন্ত্ৰীৰ এই বক্তব্য বিভিন্ন মাধ্যমত যোৱা ২ আগষ্টত প্ৰকাশ পোৱাৰ পাছতো খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ক লক্ষ্য হিচাপে লৈ চৰকাৰে উচ্ছেদৰ জাননী জাৰি কৰাত সংগঠনটোৱে উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি এই আবেদন দাখিল কৰিছিল। ন্যায়ালয়ে সকলো পক্ষৰ যুক্তি শুনি এই কথা স্পষ্ট কৰি দিয়ে যে ধৰ্মৰ ভিত্তিত কোনো লোকে সুৰক্ষা নাপায় আৰু আইন সকলোৰে ক্ষেত্ৰত সমানে প্ৰযোজ্য। অসম বন অধিনিয়ম, ১৮৯১ উলংঘা কৰি বনভূমি দখল কৰা যিকোনো ধৰ্মৰ লোকৰ বিৰুদ্ধে চৰকাৰে উচ্ছেদ চলাব পাৰিব বুলি ন্যায়ালয়ে প্ৰকাশ কৰে।

ooooo

আমিনগাঁৱত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি দ্বিতীয় দিনা ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে জয়লাভ কৰে। কাইলৈ ভাৰত ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পৰৱৰ্তী ৰাউণ্ডত ভাৰতীয় খেলুৱৈ চীন, জাপান, থাইলেণ্ড বা ইণ্ডোনেছিয়াৰ খেলুৱৈৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত